দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়
মিৰ্জা - ৭৮১১২৫, কামৰূপ ঃ অসম
DAKSHIN KAMRUP GIRLS' COLLEGE
Accredited by NAAC : B Grade
Mirza - 781125, Kamrup : Assam
স্থাপিত ঃ ১৯৮৮ ইং চন
☎ : 03623-230047
E-mail : dkgcmirza1988@rediffmail.com
Website : www.dkgirlscollege.in

# জাননী

**৩১-০৫-২০২১**

ইয়াৰ দ্বাৰা দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ স্নাতক ১ম, ৩য় আৰু ৫ম ষান্মাসিকৰ ছাত্ৰী সকলক জনোৱা হ'ল যে গুৱাহাটী বিশ্ববিদ্যালয়ে COVID-19 মহামাৰীৰ কাৰণে এইবাৰ সকলো ধৰণৰ পৰীক্ষা Online পদ্ধতিৰে অনুষ্ঠিত কৰিব। এই সম্পৰ্কে ছাত্ৰী সকলৰ উদ্দেশ্যে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই website ত নিৰ্দেশনা দিছে। পৰীক্ষাৰ প্ৰপত্ৰ পূৰণৰ (Form Fillup) সময়ত কিছু সংখ্যক ছাত্ৰীয়ে নিজৰ ব্যক্তিগত মবাইল নম্বৰৰ পৰিবৰ্তে যিকোনো মবাইল নম্বৰ দিছিল। Online পৰীক্ষাৰ নিৰ্দেশনামতে উক্ত নম্বৰটোৰে GUIUMS Portal ত পঞ্জীয়ণ কৰিলেহে সেই নম্বৰটোত পৰীক্ষাৰ আধা ঘন্টা আগতে প্ৰশ্ন কাকতখন উপলদ্ধ হ'ব। আমি জনাত আমাৰ মহাবিদ্যালয়ৰ কিছু সংখ্যক ছাত্ৰীয়ে GUIUMS Portal ত পঞ্জীয়ণ কৰিব পৰা নাই। ফলস্বৰূপে ছাত্ৰী সকলে পৰীক্ষাৰ সময়ত প্ৰশ্ন কাকত খন নাপাব। এনে সমস্যাৰ সন্মুখীন হোৱা ছাত্ৰী সকলে লগৰ যিকোনো ছাত্ৰীৰ যাৰ মবাইলত প্ৰশ্ন কাকতখন উপলদ্ধ হ'ব সেই সকলৰ ওচৰত থাকি অথবা Whatsapp যোগে সংগ্ৰহ কৰিবলৈ কোৱা হ'ল, ইয়াৰ বাহিৰে আন উপাই নাই।উল্লেখ থাকিলযে যি সকল ছাত্ৰীয়ে শেহতীয়াকৈ মবাইল নম্বৰ আৰু তথ্য GUIUMS Portal ত অন্তভূৰ্ক্ত কৰিবলৈ মহাবিদ্যালয়ত জমা দিছিল, তাক বিশ্ববিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছিল। কিন্তু প্ৰযুক্তিগত অসুবিধা আৰু যথেষ্ট পলম হোৱাৰ কাৰণে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই অন্তভূৰ্ক্ত কৰিব নোৱাৰিলে সেইসকল ছাত্ৰীয়ে ওপৰৰ কথাখিনি ভালদৰে বুজি লৈ আগবাঢ়ে যেন।

সেইদৰে ১০ পৃষ্ঠা যুক্ত উত্তৰ বহীখন scan কৰি এটা PDF ফাইল কৰি, অৱশ্যে যিকোনো মবাইল নম্বৰৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ Portal ত upload কৰিব পাৰিব বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই জনাইছে। সকলো ছাত্ৰীয়ে বিশ্ববিদ্যালয় দিয়া নিৰ্দেশনা সমূহ সঠিক ভাবে জানি তথা অনুশীলন কৰি Online পৰীক্ষা পদ্ধতিক সফল কৰি তোলে যেন।

(ডঃ গজেন্দ্ৰ অধিকাৰী)
অধ্যক্ষ
দঃ কাঃ ছোৱালী মহাবিদ্যালয়, মিৰ্জা